**SET-4**

**Series HRK** **Code No. 15**

Candidates must write the Code on the title page of the answer-book.

Roll No. | | | | | | | |

- Please check that this question paper contains **8** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **16** questions.
- **Please write down the Serial Number of the question before attempting it**.
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# SUMMATIVE ASSESSMENT – II

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘণ্টা* *সৰ্বমুঠ নম্বৰ : 90*

*Time allowed : 3 hours* *Maximum Marks : 90*

The question paper is divided into four sections.

| | |
|---|---|
| SECTION A : Reading (Comprehension) | 15 marks |
| SECTION B : Writing | 15 marks |
| SECTION C : Grammar | 25 marks |
| SECTION D : Literature/Text Books | 35 marks |

## SECTION A

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা –

আমাৰ সমাজত প্ৰচলিত যিবোৰ ধাৰণা ভ্ৰান্ত বুলি প্ৰমাণিত হ'লেও তাক অন্ধভাৱে পালন কৰা হয় তাকে কু-সংস্কাৰ বুলি কোৱা হয় । আমাৰ দেশৰ বেছিভাগ মানুহ দুখীয়া আৰু অশিক্ষিত হোৱা বাবেই কু-সংস্কাৰসমূহ আঁতৰ কৰিব পৰাৰ বিপৰীতে ই মানুহৰ মনত দ'লৈকেহে শিপাই গৈছে । আনহাতে বিজ্ঞান হ'ল প্ৰকৃত জ্ঞান; যুক্তি, তৰ্কৰ দ্বাৰা প্ৰমাণিত আৰু স্বচ্ছ । বিজ্ঞানে মানুহৰ মনৰ কু-সংস্কাৰ আঁতৰ কৰে ।

মানুহৰ ব্যক্তিগত জীৱনেই হওক বা সামাজিক জীৱনেই হওক; ই কিছুমান আচাৰ-আচৰণৰ দ্বাৰা গঠিত । আমাৰ সংসাৰ আৰু পাৰিবাৰিক তথা সমাজ জীৱন কিছুমান আচাৰ-আচৰণ অৰ্থাৎ অভ্যাসৰ দ্বাৰা গঠিত । পিতৃ-মাতৃ তথা গুৰুজনাক শ্ৰদ্ধা কৰা, নিজতকৈ সৰুজনক মৰম-চেনেহ কৰা হ'ল সহজাত সংস্কাৰ । কিন্তু ভগৱানক সেৱা কৰাটো হ'ল অভ্যাস । এনেদৰে আমি সৰুকালৰ পৰাই কিছুমান সু-সংস্কাৰ আৰু কু-সংস্কাৰ শিকি আহিছো ।

সৰুৰে পৰা ল'ৰা-ছোৱালীয়ে ডাঙৰে কৰা আচৰণ দেখি-শুনি নাইবা লগৰ ল'ৰা-ছোৱালী, কিতাপ-আলোচনী, চিনেমা আদিত দেখি বিচাৰ-বিবেচনা নকৰাকৈ বহু কু-সংস্কাৰ অনুসৰণ কৰে । এইবোৰ মানুহৰ মনত দ'কে সোমাই পৰিলে, ইয়াক সহজতে আঁতৰ কৰা টান হৈ পৰে । সাধাৰণতে মানুহৰ অসুখ হলেই আজিকালি ডাক্তৰৰ ওচৰলৈ ৰোগীক নিয়া হয় যদিও, আজিকালিও এনে বহু লোক আছে যিয়ে অসুখ হলে জৰা-ফুকা কৰাই, মালা-আঙাঠি আদি পিন্ধে । ফলত ৰোগৰ প্ৰকোপ বাঢ়িহে যায় ।

এইবোৰৰ দৰে আমাৰ দেশত ধৰ্মৰ নামতো যথেষ্ট, কু-সংস্কাৰ বৰ্তি আছে । অনাহাৰ-অনিদ্ৰাৰে থাকি ঈশ্বৰক স্তুতি কৰা, মাটিৰ মূৰ্তিক গাখীৰ খুওৱা, বলি-বিধানৰ দ্বাৰা মংগল কামনা কৰা আদিৰ দৰে ধৰ্মীয় কু-সংস্কাৰ বহুদিনৰ পৰা

সমাজত প্ৰচলিত হৈ আছে । এই অন্ধ বিশ্বাস তথা কু-সংস্কাৰবোৰে মানুহৰ মন দুৰ্বল কৰে । তদুপৰি বৰ্তমান বিজ্ঞানৰ যুগত এনেদৰে সমাজ পৰিচালিত হোৱাতো আশ্চৰ্যকৰ কথা ।

অৰ্থনৈতিক আৰু সামাজিক উন্নতি অবিহনে সমাজত কু-সংস্কাৰ প্ৰচলিত হৈয়ে থাকিব । প্ৰকৃত শিক্ষাৰ অভাৱৰ বাবে মানুহে সকলোবোৰ কথা ভালদৰে ফঁহিয়াই চাবলৈ নিশিকে । আৰ্থিক ভাবে দুৰ্ব্বল তথা নিৰক্ষৰ মানুহে চিকিৎসাৰ ব্যয় বহন কৰিব নোৱাৰা বাবে ওজা-সাধুবাবাৰ ওচৰলৈ যায় নাইবা ভগৱানৰ ওচৰত শৰণ লয় । এনেদৰে যুগ যুগ ধৰি সমাজত কু-সংস্কাৰ প্ৰচলিত হৈ আছে ।

মানুহৰ মনৰ পৰা এই কু-সংস্কাৰ আৰু অন্ধ বিশ্বাস আঁতৰ কৰিব পাৰিব কেৱল বিজ্ঞানে । বিজ্ঞান শিক্ষাই মানুহক যুক্তিৰে যিকোনো কথা বিচাৰ কৰি চাবলৈ শিকায় । বিজ্ঞানে মানুহৰ যাত্ৰাপথৰ পথপ্ৰদৰ্শক হিচাপে কাম কৰিব পাৰে । শিক্ষাৰ বিষয়বস্তু এনে হ'ব লাগে যাতে ই সমাজৰ সকলোকে নিজ নিজ কৰ্তব্যৰ প্ৰতি সচেতন কৰি তোলে আৰু ধৰ্মীয় গোড়ামী পাহৰি সাম্প্ৰদায়িক সংহতিমূলক বিষয়ৰ প্ৰতি মনোযোগ দিয়ে ।

এইবোৰৰ উপৰি সকলোৰে বাবে স্বাস্থ্যৰ জৰিয়তে সমাজৰ তৃণমূল পৰ্যায়লৈকে চিকিৎসা সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে যাতে মানুহে সাধাৰণ সৰু সৰু অসুখৰ পৰা আৰম্ভ কৰি সকলো ৰোগৰ চিকিৎসা কম সময়তে কম খৰচতে লাভ কৰিব পাৰে । তদুপৰি সকলোৰে বাবে বিজ্ঞান শিক্ষাৰ ব্যৱস্থা কৰাটো আৱশ্যক । চৰকাৰী আৰু বেচৰকাৰী পৰ্যায়ত সাধাৰণ লোকৰ মাজত বিজ্ঞান চেতনা বৃদ্ধিৰ বাবে অভিযান চলোৱা আৱশ্যক । অলৌকিকতাৰ মাজতো যে বিজ্ঞান লুকাই আছে তাক বিভিন্ন প্ৰক্ৰিয়াৰে উদঙাই দিব পাৰি । ছাত্ৰ-ছাত্ৰীয়ে যাতে আৰম্ভনিৰ পৰাই কু-সংস্কাৰ মুক্ত আৰু বিজ্ঞান শিক্ষাৰ প্ৰতি আকৰ্ষিত হয় তাৰ প্ৰতি চকু ৰাখিব লাগে । প্ৰাপ্তবয়স্ক সকলক শিক্ষাৰ যোগেদি সমাজৰ কু-সংস্কাৰক ভিত্তিহীনতা বুলি অৱগত কৰিব পাৰি ।

এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলেও কৰনীয় আছে । তেঁওলোকে কেৱল নিজেই বিজ্ঞান শিক্ষাৰে যুক্তিবাদী হ'লেই নহ'ব । ঘৰে-বাহিৰে সকলোতে বিজ্ঞানৰ পোহৰ বিলাব লাগিব । তেঁওলোকে বিভিন্ন আলোচনা, সভা, পোষ্টাৰ, প্ৰদৰ্শনী, বাটৰ নাট আদিৰ জৰিয়তে অশিক্ষিত মানুহৰ মনৰ পৰা কু-সংস্কাৰ আঁতৰ কৰিবলৈ চেষ্টা কৰিব লাগিব । এইবোৰৰ উপৰি স্বেচ্ছাসেৱী সংগঠন, বিজ্ঞান ক্লাব আদিয়েও এই ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে । সকলোৰে সমূহীয়া প্ৰচেষ্টাৰেহে সমাজৰ পৰা কু-সংস্কাৰ আঁতৰাব পৰা যাব ।

(i) মানুহৰ মনৰ পৰা কু-সংস্কাৰ কিদৰে আঁতৰাব পাৰি ? *1*

(ii) সহজাত সংস্কাৰ বুলিলে কি বুজা ? *1*

(iii) ল'ৰা-ছোৱালীয়ে কেতিয়া কু-সংস্কাৰক অনুসৰণ কৰে ? *1*

(iv) ৰোগীয়ে কিয় ওজা-সাধুবাবাৰ ওচৰলৈ যায় ? *1*

(v) কেতিয়া মানুহৰ মন দুৰ্বল হয় ? *1*

(vi) শুদ্ধ উত্তৰটো লিখা – *1*

আনক দেখি পিছে পিছে যোৱা – অনুকৰণ/অনুসৰণ/পথভ্ৰষ্ট

(vii) বিপৰীত অৰ্থবোধক শব্দ লিখা – উন্নতি *1*

(viii) সন্ধি ভাঙা – সংস্কাৰ *1*

(ix) ধৰ্মৰ নামত হোৱা কু-সংস্কাৰৰ এটা উদাহৰণ দিয়া । *2*

(x) কু-সংস্কাৰ আঁতৰোৱাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে কেনে ভূমিকা ল'ব পাৰে ? *2*

(xi) প্ৰাপ্তবয়স্কসকলক কিদৰে কু-সংস্কাৰ মুক্ত কৰিব পাৰি ? *1*

(xii) কু-সংস্কাৰ বুলিলে কি বুজা ? *2*

## SECTION B

**2.** (ক) তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প লিখি, তাৰ শিৰোনামা দিয়াৰ লগতে গল্পটোৰ পৰা কি নীতিশিক্ষা পালা লিখা – *6+2+2=10*

এগৰাকী বুঢ়ী নাতিয়েকৰ সৈতে হজৰত মহম্মদৰ ওচৰলৈ আহিল ____________ নাতিয়েকৰ মিঠাই খোৱা অভ্যাস ____________ তাক এৰোৱাব লাগে ___________ হজৰত মহম্মদে এমাহ পিছত আহিব দিলে ___________ বুঢ়ী আহিল ____________ হজৰত মহম্মদে নাতিয়েকক বুজালে ____________ বুঢ়ীয়ে সেইখিনি কথা কবলৈ এমাহ সময় বিচৰাৰ কাৰণ সুধিলে __________ হজৰতে ক'লে __________ তেঁওৰো মিঠাইৰ প্ৰতি লোভ আছিল ___________ এই এমাহে তেঁওৰ নিজৰ অভ্যাস এৰোৱালে __________ ।

**অথবা**

(খ) তলত দিয়া যিকোনো ***এটা*** বিষয় লৈ দুশমান শব্দৰ ভিতৰত এখন ৰচনা লিখা – *10*

(i) যিকোনো এটা উৎসৱ

(ii) সমাজ সংগঠনত ছাত্ৰৰ কৰ্তব্য

**3.** তলত দিয়া যিকোনো ***এটা*** ফকৰা-যোজনা বুজাই লিখা – *5*

(ক) এশ গৰু মাৰিলে বাঘৰো মৰণ

(খ) তুলসীৰ লগত কলপটুৱাৰো মুক্তি

**অথবা**

তুমি শিক্ষামূলক ভ্ৰমণলৈ যোৱা ঠাইখনৰ বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা । (চিঠিত নিজৰ নাম সাংকেতিক চিনত লিখিবা) । *5*

## SECTION C

**4.** (ক) তলত দিয়া শব্দবোৰৰ প্ৰত্যয় ভাঙি দেখুওৱা – *1×4=4*

শেহতীয়া, নোমাল, নগৰীয়া, পথৰুৱা

(খ) "ঈ" প্ৰত্যয় ব্যৱহাৰ হোৱা দুটা শব্দ লিখা । *1×2=2*

**5.** এটা শব্দত প্ৰকাশ কৰা – (শুদ্ধ উত্তৰটো লিখা) *1×5=5*

(ক) খাবলৈ অনা কলপুলি – কলডিল/পচলা/থোৰা

(খ) যি নিজকে নিজে পণ্ডিত বুলি ভাবে – জ্ঞানী/পণ্ডিত/পণ্ডিতম্মন্য

(গ) যি ঈশ্বৰক বিশ্বাস নকৰে – নাস্তিক/আস্তিক/বিধৰ্মী

(ঘ) হঠাতে হোৱা ঘটনা – বোধগম্য/অভূতপূৰ্ব/আকস্মিক

(ঙ) যাৰ ওপৰত গোচৰ তৰে – গুচৰীয়া/পদকীয়া/অজ্ঞ

**6.** তলত দিয়া শব্দকেইটাৰ বিপৰীতাৰ্থক শব্দ লিখা – *1×5=5*

আদান, উক্ত, কৃশ, নীচ, দীৰ্ঘ

**7.** (ক) লিংগ পৰিবৰ্ত্তন কৰা – *1×4=4*

চেঁউৰী, মুনিহ, ই, অজলা

(খ) ক্লীৱ লিংগ কাক বোলে ? *1*

**8.** তলত দিয়া বাক্যবোৰ শুদ্ধকৈ লিখা – *1×4=4*

(ক) সকলো ৰেল এইটো ষ্টেছনত নাথামে ।

(খ) প্ৰায় 200 জনমান মানুহ সভাত উপস্থিত আছিল ।

(গ) চোৰটোৱে চোৰ কৰিবলৈ গৈ ধৰা পৰিল ।

(ঘ) অসমীয়া মহিলাৰ পোছাক ধুনীয়া ।

## SECTION D

**9.** মাত্ৰ এশাৰীত উত্তৰ লিখা – *1×4=4*

(ক) ইন্দোনেছিয়া শব্দৰ অৰ্থ কি ?

(খ) আজান ফকিৰৰ প্ৰবৰ্তিত পন্থাৰ লগত কাৰ সাদৃশ্য আছে ?

(গ) "দেশতকৈ মোমাই ডাঙৰ নহয়" – কাৰ উক্তি ?

(ঘ) কুটুব শব্দৰ অৰ্থ কি ?

**10.** চমু উত্তৰ লিখা – *2×3=6*

(ক) জিকিৰবোৰক কিয় ভকতীয়া গীত বুলি কোৱা হয় ?

(খ) কবি দেৱ কান্ত বৰুৱাৰ কবিতাৰ বৈশিষ্ট্য কি ?

(গ) ভাৰুৰ বুৰঞ্জীৰ পাতে পাতে কিহৰ বোল সনা আছে ?

**11.** তাৎপৰ্য ব্যাখ্যা কৰা – (যিকোনো ***এফাঁকি*** কবিতাৰ) *1×5=5*

(ক) মক্কাৰ দুৱাৰত চাহাব তিৰবেনীৰ ঘাট ।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট ।।

(খ) পাৰ হৈ উচ্ছল বাৰিধি
পাৰ হৈ গভীৰ অৰণ্য
দ্বীপময় ভাৰত গঢ়িছে;
কম্বোজত সাজিছে ওঙ্কাৰ ধাম ।

**12.** তোমাৰ পাঠৰ সহায়ত মাত্ৰ এশাৰীত উত্তৰ লিখা – *1×4=4*

(ক) গেলিলিও গেলিলিয়ে কি সাজি উলিয়াইছিল ?

(খ) অকলশৰীয়া নিউটনে কাক বন্ধু কৰি লৈছিল ?

(গ) আহোমসকলে অসমত দীৰ্ঘদিন থকাৰ পাছত কি ধৰ্ম গ্ৰহণ কৰিছিল ?

(ঘ) য়াণ্ডাবু সন্ধি কাৰ কাৰ মাজত হৈছিল ?

**13.** চমু উত্তৰ লিখা – *2×3=6*

(ক) অসমৰ পুৰণি সাহিত্যৰ সমলবোৰ কি কি ?

(খ) চমুটোকা লিখা – ডাক ।

(গ) জীৱন জোৰা অধ্যয়নৰ পিছত ক'পাৰ্নিকাছে কি দেখুৱাইছিল ?

**14.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×5=5*

(ক) নিউটনৰ "প্ৰিন্‌চিপিয়া" গ্ৰন্থই বৌদ্ধিক মহলত কেনেদৰে খলকনি তুলিছিল চমুকৈ আলোচনা কৰা ।

(খ) তাৎপৰ্য ব্যাখ্যা কৰা –

দেখা যায় সকলোকে বান্ধি থোৱা এনাজৰীডাল আছিল অসমীয়া ভাষা ।

**15.** এশাৰীত উত্তৰ লিখা – *1×3=3*

(ক) বলাইহ'তে কাৰ ঘৰত ৰবাব টেঙাখাবলৈ গৈছিল ?

(খ) প্ৰেৰণাই বৃত্তিৰ পইচাখিনি কাক দিব বিচাৰিছিল ?

(গ) প্ৰেৰণাই ক'ত স্বহীদ বেদী দেখিছিল ?

**16.** "আচৰিত ধৰণে প্ৰেৰণাৰ ইচ্ছা পূৰণ হ'ল" – কেনেদৰে প্ৰেৰণাৰ ইচ্ছা পূৰণ হ'ল বুজাই লিখা । *2*